**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 29-08-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

## *Headlines*

১। নেপালৰ বিধ্বংসী বানত বৰ্তমানলৈকে মৃত্যু হোৱা লোকৰ সংখ্যা ৫৭৯লৈ বৃদ্ধি। অসমৰ ১০জন লোক এতিয়াও সন্ধানহীন।

২। মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ আধাৰ নম্বৰ বাধ্যতামূলক বুলি উচ্চ শিক্ষা সঞ্চালকালয়ৰ নিৰ্দেশ জাৰি।

৩। ৩০০ কোটি টকা ব্যয়েৰে আমিনগাঁৱত নিৰ্মাণ কৰা ক্ৰিকেট ষ্টেডিয়াম ২০২৭ চনৰ ভিতৰত মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৪। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথম ১০০ দিনত ৰাজ্যত ৩০০ কোটি টকাৰ ড্ৰাগছ ধ্বংস।

আৰু

৫। হাংগেৰীত অনুষ্ঠিত পি এছ এ বুডাপেষ্ট স্কোৱাচ অ'পেন প্ৰতিযোগিতাত ভাৰতৰ ভেলাভান চেন্থিলকুমাৰৰ খিতাপ দখল।

০০০০০০০

নেপাল আৰু তিব্বতত হোৱা বিধ্বংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬২৬ লৈ বৃদ্ধি হৈছে। আনহাতে ২০০০ ৰো অধিক লোক সন্ধানহীন হৈ আছে। আৰক্ষীয়ে চিটৱানত ২৩৩, নৱালপৰাচি পূবত ১৫৮, গোৰ্খাত ৪৮, নৱালপৰাচি পশ্চিমত ৪৭, ধাদিঙত ৪৫, নুৱাকোটত ৪১, টানাহুনত ৩১ আৰু ৰাচুৱাত ১৩ টা মৃতদেহ উদ্ধাৰ কৰিছে। হিমালয় অঞ্চলৰ ক্ষতিগ্ৰস্ত জিলাসমূহত উদ্ধাৰ অভিযান অব্যাহত আছে। নেপালৰ চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি আৰক্ষীয়ে সন্ধানহীন আৰু বানত আবদ্ধ লোকৰ তথ্য পাবলৈ স্থানীয় লোক তথা সংস্থাৰ সৈতে সহযোগিতাৰে কাম কৰি আছে। উদ্ধাৰ কৰা লোকসকলক নিৰাপদ স্থানলৈ নিয়া হৈছে। বানত বন্ধ হৈ পৰা পথসমূহ মুকলি কৰাৰ কামো চলি আছে।

ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কালি কৈছিল যে নেপালৰ দুৰ্যোগত সন্ধানহীন ৩২০ গৰাকী ভাৰতীয়ৰ কোনো তথ্য পোৱা হোৱা নাই। মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয় যে আন দেশৰ নাগৰিকত্ব গ্ৰহণ কৰা ভাৰতীয় মূলৰ প্ৰায় ১০০ গৰাকী লোক সন্ধানহীন হৈ আছে। নতুন দিল্লীত সংবাদ মাধ্যমক শ্ৰী জয়ছোৱালে জনায় যে নেপালৰ ত্ৰিশূলী ৰান জলবিদুৎ প্ৰকল্পত কৰ্মৰত ৬৩ গৰাকী ভাৰতীয়ক উদ্ধাৰ কৰা হৈছে। তেওঁ লগতে কয় যে চীনৰ ফালে প্ৰায় ৪০০ গৰাকী ভাৰতীয় সুৰক্ষিত অৱস্থাত আছে আৰু তেওঁলোক পৰিয়ালৰ সৈতে যোগাযোগত আছে। বিদেশ মন্ত্ৰালয়ত এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে কাঠমাণ্ডু আৰু বেইজিঙত থকা ভাৰতীয় দূতাবাসেও ২৪ ঘণ্টাই কাৰ্যক্ষম হেল্পলাইন মুকলি কৰিছে। প্ৰাকৃতিক দুৰ্যোগত প্ৰভাৱিত ভাৰতীয় লোকসকলক উদ্ধাৰ, সাহায্য প্ৰদান আৰু সন্ধান উলিওৱাত সহায়ক হোৱাৰ বাবেই এই ব্যৱস্থা কৰা হৈছে। শ্ৰী জয়ছোৱালে কয় যে নাগৰিকসকলে ৯১-১১-২৩০৮ ৮৭১৮, ৯১-১১-২৩০৮ ৮৭১৯ আৰু ৯১-১১-২৩০১ ২১১৩ টেলিফোন নম্বৰত বিদেশ

মন্ত্রালয়ৰ নিয়ন্ত্রণ কক্ষৰ সৈতে যোগাযোগ কৰিব পাৰিব। তদুপৰি তেওঁলোকে ৯১-৯৯৬৮২৯১৯৮ হোৱাটচ এপ নম্বৰ আৰু situationroom@mea.gov.inতো ই-মেইল কৰি যোগাযোগ কৰিব পাৰিব।

নেপালৰ বানত সন্ধানহীন হোৱা বুলি প্ৰকাশ পোৱা নলবাৰী জিলাৰ পংকজ বৰ্মন আৰু সমৰ বেজবৰুৱা নামৰ লোক দুজন সম্প্ৰতি নিৰাপদে আছে বুলি পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰিছে। অৱশ্যে এতিয়াও অসমৰ ১০ গৰাকী লোকৰ কোনো তথ্য পোৱা হোৱা নাই। আকাশবাণীৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনৰ মেৰাপানীৰ ১ নম্বৰ জয়পুখুৰী গাঁৱৰ ৰাহুল দৈমাৰী নামৰ এজন যুৱক নেপালৰ বানত সন্ধানহীন হৈ আছে। কৰ্মসূত্ৰে নেপাললৈ যোৱা যুৱকজনৰ সৈতে পৰিয়ালৰ যোগাযোগ হোৱা নাই। প্ৰায় এবছৰ ধৰি নেপালৰ এটা পাইপলাইন কোম্পানীত ৰাহুল দৈমাৰীয়ে কাম কৰি আছে।

oooooo

আছাম ৰেজিমেণ্ট কেন্দ্ৰৰ বিশেষ আমন্ত্ৰণমৰ্মে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা শ্বিলঙলৈ ৰাওনা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে যুদ্ধ স্মাৰক ক্ষেত্ৰত শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পন কৰাৰ লগতে যুদ্ধ অনুশীলন প্ৰত্যক্ষ কৰিব। ডঃ শৰ্মাই অগ্নিবীৰসকলৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গৰ সৈতে মত বিনিময় কৰিব।

ooooooo

মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ আধাৰ নম্বৰ বাধ্যতামূলক কৰা হৈছে। অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকালয়ে এই সন্দৰ্ভত এটা নিৰ্দেশ জাৰি কৰিছে। অৱশ্যে ১৮ বছৰ অনুৰ্ধৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত নতুনকৈ আধাৰ কাৰ্ড প্ৰদান ব্যৱস্থা ৰাজ্য চৰকাৰে বন্ধ ৰখাৰ পৰিপ্ৰেক্ষিতত উচ্চ শিক্ষা সঞ্চালকালয়ে বিশেষ প্ৰক্ৰিয়াৰ মাজেৰে এই আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত নিৰ্দেশটোত উল্লেখ কৰা অনুসৰি আধাৰ কাৰ্ড নথকা শিক্ষাৰ্থীসকলৰ যাৱতীয় তথ্যসমূহ শিক্ষানুষ্ঠানৰ মুৰববীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। এনেদৰে আধাৰ কাৰ্ড লাভ কৰাৰ পাছতহে ছাত্ৰ-ছাত্ৰীসকলে নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে আবেদন কৰিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

ooooooo

বজালী জিলাৰ বিছানকুছি গাঁৱৰ উদ্যোগী যুৱক সমৰেন্দ্ৰ শৰ্মাই নিত্যানন্দ অঞ্চলত গঢ়ি তোলা দুগ্ধ প্ৰক্ৰিয়াকৰণ উদ্যোগত নতুন প্ৰযুক্তিৰ ব্যৱহাৰেৰে নিদৰ্শন দাঙি ধৰিছে। দুগ্ধ প্ৰক্ৰিয়াকৰণৰ পৰম্পৰাগত পদ্ধতিৰ পৰিৱৰ্তে ভাপ ইঞ্জিনৰ সহায়ত বহু পৰিমাণৰ গাখীৰ গৰম কৰিব পৰা পদ্ধতি ব্যৱহাৰ কৰি যুৱকজনে বহু সময় ৰাহি কৰাৰ লগতে পৰ্যাপ্ত পৰিমাণৰ দুগ্ধজাত সামগ্ৰী উৎপাদন কৰি আহিছে। যুৱকজনে জনোৱা মতে ৰন্ধন গেছৰ মূল্যবৃদ্ধিৰ সময়ত উৎপাদন প্ৰক্ৰিয়াত গেছৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰি বিকল্প ব্যৱস্থা গ্ৰহণৰ জৰিয়তে তেওঁ যথেষ্ট উপকৃত হৈছে। সমৰেন্দ্ৰ শৰ্মাই বজালী জিলাত উৎপাদিত গাখীৰৰ উচিত মূল্য নিশ্চিত কৰাৰ উপৰি দুগ্ধ খেতিয়কসকলৰ আয় বৃদ্ধিৰ লক্ষ্যৰে ২০২২ চনত দুগ্ধ প্ৰক্ৰিয়াকৰণ গোট স্থাপন কৰে। বৰ্তমান এই প্ৰক্ৰিয়াকৰণ গোটত কাঠেৰে চলোৱা ষ্টীম বয়লাৰ, ষ্টীম কেটলি, দৈ ইনকিউবেটৰকে ধৰি বিভিন্ন প্ৰকাৰৰ দুগ্ধজাত সামগ্ৰী প্ৰস্তুত কৰা সঁজুলি আছে। উদ্যোগটোৰ জৰিয়তে বৰ্তমান ২২ গৰাকী লোকক প্ৰত্যক্ষ সংস্থাপনৰ সুযোগ দিয়া হৈছে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৭ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে হকীৰ যাদুকৰ মেজৰ ধ্যানচন্দলৈ শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ভাৰতীয় হকীত মেজৰ ধ্যানচন্দৰ অৱদানে প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে সকলো ক্ৰীড়া প্ৰেমীলৈও শুভেচ্ছা জনায়।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই এই দিৱস উপলক্ষে নতুন দিল্লীত কিংবদন্তি হকী খেলুৱৈগৰাকীলৈ শ্ৰদ্ধা জনায়। সাংবাদিকৰ আগত তেওঁ কয়, যে ফিট ইণ্ডিয়া অভিযানক আগবঢ়াই নিয়াৰ লক্ষ্যৰে দেশজুৰি ৰান আৱাৰ অন দা প্লেয়িং ফিল্ড শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০

কলিয়াবৰৰ জখলাবন্ধা চহৰৰ মাজ-মজিয়াত যোৱানিশা সংঘটিত অগ্নিকাণ্ডত এটা ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে জুইত জাহ যায়। স্থানীয় লোকে জুই নিৰ্বাপণৰ চেষ্টা চলায়, যদিও জুয়ে নিমিষতে প্ৰতিষ্ঠানটোৰ সকলো সা-সামগ্ৰী ভস্মীভূত কৰে। আন আন ব্যৱসায়িক প্ৰতিষ্ঠানলৈ জুই সম্প্ৰসাৰিত হোৱাৰ পূৰ্বে অগ্নি নিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপণ কৰিবলৈ সমৰ্থ হয়। শ্বৰ্ট ছাৰ্কিটৰ বাবেই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে।

০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি আৰোহণ আঁচনিৰ অধীনত জ্ঞান অন্বেষণমূলক ভ্ৰমণলৈ অহা চলিত বৰ্ষৰ চতুৰ্থটো গোটৰ শিক্ষাৰ্থীসকলৰ সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত শিক্ষামন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ গুৱাহাটীৰ আই আই টিকে ধৰি মহানগৰৰ বিভিন্ন আগশাৰীৰ প্ৰতিষ্ঠান ভ্ৰমণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে আহৰণ কৰা অভিজ্ঞতাৰ বিষয়েও আলোচনা কৰে। উল্লেখযোগ্য যে কামৰূপ জিলাৰ ২৬৭ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ চতুৰ্থটো গোটৰ জ্ঞান অন্বেষণমূলক ভ্ৰমণৰ আজি সামৰণি পৰিব। আৰোহণ আঁচনিৰ জৰিয়তে নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক বৃত্তিমূলক পৰামৰ্শ জ্ঞান অন্বেষণমূলক ভ্ৰমণৰ সুযোগ আৰু মেণ্টৰশ্বিপৰ সুবিধা প্ৰদানৰ জৰিয়তে শৈক্ষিক উত্তৰণৰ পথত সঠিক দিক্ নিৰ্দেশনা প্ৰদানৰ লক্ষ্য লোৱা হৈছে। এই ভ্ৰমণৰ জৰিয়তে শিক্ষাৰ্থীসকলে নতুন জ্ঞান, অভিজ্ঞতা আৰু সম্ভাৱনাৰ সৈতে পৰিচিত হৈ ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত অধিক আত্মবিশ্বাসী হৈ উঠিব বুলি আশা কৰা হৈছে।

০০০০০০০

ধুবুৰী আৰু ফুলবাৰী সংযোগী নদী দলঙখনৰ নিৰ্মাণৰ কাম পূৰ্ণগতিত চলি আছে। অহা বছৰৰ ছেপ্তেম্বৰৰ ভিতৰত এই দলঙখন সম্পূৰ্ণ হৈ উঠিব বুলি প্ৰকাশ কৰা হৈছে। ১৯ দশমিক ২৮২ কিলোমিটাৰ

দৈৰ্ঘ্যৰ এই দলঙখন দেশৰ ভিতৰতে আটাইতকৈ দীঘল দলং হ'ব বুলি জনা গৈছে। বৰ্তমানলৈকে দলঙখনৰ  কাম প্ৰায় ৮০ শতাংশ সম্পূৰ্ণ হৈছে। দলঙখনৰ নিৰ্মাণ ব্যয় ৪৯৯৭ দশমিক ০-৪ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই দলঙখন সম্পূৰ্ণ হৈ উঠিলে যাতায়াতৰ লগতে অঞ্চলটোৰ আৰ্থ সামাজিক দিশত সুদূৰ প্ৰসাৰি পৰিৱৰ্তন হ'ব বুলি আশা কৰা হৈছে। লগতে পৰ্যটন আৰু উত্তৰ পূৰ্বাঞ্চলৰ বাণিজ্যিক বিকাশতে দলঙখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

০০০০০০০

**সমাপ্ত**